# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ পূৰ্ব সন্ধিয়া কাইলৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰক সম্বোধী আকাশবাণী আৰু দূৰদৰ্শনযোগে ভাষণ দিব।

২। মহাৰাষ্ট্ৰৰ ভাণ্ডাৰা জিলাৰ জৱাহৰ নগৰ থকা অস্ত্ৰ নিৰ্মাণ কাৰখানাত সংঘটিত বিস্ফোৰণত ৮ জন লোক নিহত হোৱাৰ আশংকা কৰা হৈছে।

৩। অষ্ট্ৰেলিয়াৰ বিমান বন্দৰসমূহৰ গ্ৰাউণ্ড কৰ্মচাৰীসকলে দেশখনৰ প্ৰধান বিমান বন্দৰসমূহত আৰম্ভ কৰা ধৰ্মঘটৰ ফলত আন্তৰাষ্ট্ৰীয় ভ্ৰমণকাৰীসকলৰ প্ৰতি সতৰ্কবাণী জাৰি কৰা হৈছে।

৪। উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিহাৰৰ পূৰ্বৰ মুখ্যমন্ত্ৰী, ভাৰতৰত্ন সন্মানেৰে সন্মানিত কৰ্পুৰী ঠাকুৰৰ জয়ন্তীত নেতাগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। ***আৰু***

৫। জলসম্পদ সংৰক্ষণৰ প্ৰতি ভাৰত প্ৰতিশ্ৰুতিবদ্ধ বুলি চুইজাৰলেণ্ডৰ ডাভ'ছত জলশক্তি মন্ত্ৰী চি আৰ পাটিলে প্ৰকাশ কৰিছে।

ooooo

গণৰাজ্য দিৱসৰ পূৰ্ব সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ সন্ধিয়া ৭ বজাত ৰাষ্ট্ৰক সম্বোধি ভাষণ দিব। ৰাষ্ট্ৰপতিয়ে হিন্দীত দিয়া এই ভাষণৰ পাছতে ইয়াৰ ইংৰাজী ভাষান্তৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীৰ আটাইবোৰ কেন্দ্ৰই ৰাষ্ট্ৰপতিৰ এই ভাষণ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰিব। ৰাষ্ট্ৰপতিৰ এই ভাষণৰ পৰিপ্ৰেক্ষিতত কাইলৈ সন্ধিয়া সাত বাজি ১০ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি নিশা সাত বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব।

৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পৰহিলৈ দেওবাৰে পুৱা ৯ বজাত ৰাজ্যবাসীক উদ্দেশি ভাষণ দিব। ৰাজ্যপালৰ ভাষণৰ পৰিপ্ৰেক্ষিতত আমাৰ পুৱা ৯ বজাৰ আঞ্চলিক বাতৰি ৮ বাজি ৪৫ মিনিটত প্ৰচাৰিত হ'ব।

আকাশবাণীয়ে পৰহিলৈ ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ নতুন দিল্লীৰ কৰ্তব্য পথত হ'বলগীয়া কুচকাৱাজ আৰু প্ৰতীকপট শোভাযাত্ৰা অনুষ্ঠান পুৱা ৯ বাজি ৪০ মিনিটৰ পৰা পোনপটীয়াকৈ প্ৰচাৰ কৰিব। আনহাতে ২৬ জানুৱাৰীৰ দিনা ৰাজ্যখনত অনুষ্ঠিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ ভেটিত আকাশবাণী গুৱাহাটী কেন্দ্ৰই নিশা ৭ বাজি ৪৫ মিনিটত এখন বিশেষ অনাতাঁৰ প্ৰতিবেদন প্ৰচাৰ কৰিব। ইয়াৰ বাবে দেওবাৰে নিশা সাত বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া **সংবাদ চলন্তিকা** প্ৰচাৰ কৰা নহয়।

ooooo

৭৬ সংখ্যক গণৰাজ্য দিৱসত নতুন দিল্লীৰ কৰ্তব্য পথত হ'বলগীয়া কুছকাৱাজ, প্ৰতীকপট শোভাযাত্ৰা আৰু সাংস্কৃতিক কাৰ্যসূচীসমূহ আকাশবাণী আৰু দূৰদৰ্শনে পোনপটীয়াকৈ প্ৰচাৰ কৰিব। পুৱা ৯ বাজি ৪০ মিনিটৰ পৰা প্ৰচাৰিত হ'বলগীয়া এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কযোগে প্ৰচাৰিত হোৱাৰ লগতে প্ৰচাৰ ভাৰতীৰ অ', টি.টি. প্লেটফৰ্ম **ৱেভ**যোগেও প্ৰচাৰিত হ'ব। প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে প্ৰকাশ কৰা অনুসৰি দূৰদৰ্শনে এই অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰৰ বাবে পোনপ্ৰথমবাৰৰ বাবে 4K কেমেৰা আৰু আন আনুসংগিক সৰঞ্জাম ব্যৱহাৰ কৰিব। ইয়াৰ ফলত এই অনুষ্ঠানৰ মান পূৰ্বৰ তুলনাত আঠ গুণ উন্নত হ'ব বুলি শ্ৰীদ্বিবেদীয়ে প্ৰচাৰ কৰে।

ooooo

মহাৰাষ্ট্ৰৰ ভাণ্ডাৰা জিলাৰ জৱাহৰ নগৰত থকা প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ অস্ত্ৰ নিৰ্মাণ কাৰখানাত আজি পুৱাৰ ভাগত হোৱা এটা বিস্ফোৰণৰ ফলত কমেও ৮ জন লোক নিহত হোৱাৰ আশংকা কৰা হৈছে। সংবাদ প্ৰতিষ্ঠান এ এন আইয়ে জিলাখনৰ আয়ুক্তগৰাকীৰ উদ্ধৃতি দি জনোৱা অনুসৰি এই বিস্ফোৰণৰ ফলত কাৰখানাটোৰ মুধচ উৰি যায় আৰু সমগ্ৰ অঞ্চলটো জুই আৰু ধোৱাৰে আগুৰি ধৰে। ঘটনাৰ বাতৰি পোৱাৰ লগে লগে অগ্নি নিৰ্বাপন বাহিনী আৰু এম্বুলেন্স সেৱাৰ লোক ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ আৰু সাহায্য অভিযান আৰম্ভ কৰে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাবীছে সামাজিক মাধ্যম এক্সযোগে প্ৰকাশ কৰা অনুসৰি দুৰ্ঘটনাগ্ৰস্ত কাৰাখানাটোত ১৩/১৪ জন মান কৰ্মী আবদ্ধ হৈ থকা বুলি আশংকা কৰা হৈছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাযোগে শ্ৰীসিঙে নিহতসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

ooooo

সমগ্ৰ দেশতে কাইলৈ পঞ্চদশ ৰাষ্ট্ৰীয় ভোটদাতা দিৱস পালন কৰা হ'ব। দেশত মুঠ ভোটদাতাৰ সংখ্যা প্ৰায় ১০০ কোটি হোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাষ্ট্ৰীয় ভোটদাতা দিৱস বিশেষভাৱে পালন কৰা হ'ব। এই বছৰৰ ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ মূলমন্ত্ৰ হৈছে **ভোটদানৰ দৰে একোৱেই নহয়, মই নিশ্চিতভাৱে ভোটদান কৰিম**। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীত ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ মূল কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত আইন আৰু ন্যায় বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল সন্মানীয় অতিথি হিচাপে উপস্থিত থকাৰ লগতে মুখ্য নিৰ্বাচন আয়ুক্ত আৰু আন নিৰ্বাচন আয়ুক্তসকলে অংশগ্ৰহণ কৰিব।

ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ পূৰ্ব-সন্ধিয়া দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে আজি নিশা ৮ বজাত আকাশবাণীযোগে বিশেষ বাৰ্তা প্ৰচাৰ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি নিশা ৮ বজাৰ আমাৰ মুখ্য বাতৰি প্ৰচাৰ কৰা নহয়।

ooooo

অষ্ট্ৰেলিয়াৰ বিমান বন্দৰসমূহৰ গ্ৰাউণ্ড কৰ্মচাৰীসকলে দেশখনৰ প্ৰধান বিমান বন্দৰসমূহত আৰম্ভ কৰা ধৰ্মঘটৰ ফলত আন্তৰাষ্ট্ৰীয় ভ্ৰমণকাৰীসকলৰ প্ৰতি সতৰ্কবাণী জাৰি কৰা হৈছে। সংবাদ সংস্থাসমূহৰ বাতৰি অনুসৰি চিডনী, মেলবৰ্ণ আৰু ব্ৰীজবেন বিমান বন্দৰত ডিনাতা নামৰ বিমানসেৱা কোম্পানীটোৱে নিয়োগ কৰা এহেজাৰৰো

অধিক কৰ্মচাৰীয়ে দীৰ্ঘদিনীয়া দৰমহা বিবাদ নিষ্পত্তিৰ দাবীত আজি চাৰিঘণ্টাৰ বাবে কৰ্মবিৰতি পালন কৰে। অষ্ট্ৰেলিয়াৰ অগ্ৰণী বিমান পৰিবহন সংস্থা কোৱাণ্টাজে জনোৱা মতে, এই ধৰ্মঘটৰ ফলত তেওঁলোকৰ ঘৰুৱা সেৱা ব্যাহত হোৱা নাই যদিও চিডনী আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা যাত্ৰা কৰিবলগীয়া যাত্ৰীসকলৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অষ্ট্ৰেলিয়াৰ পৰিবহন শ্ৰমিক সংঘৰ ৰাষ্ট্ৰীয় সচিব মাইকেল কেইনে কয়, যে গ্ৰাউণ্ড কৰ্মচাৰীসকলে দৰমহা বিবাদৰ সমাধানৰ বাবে এবছৰতকৈ অধিক সময় আলোচনা চলাই আহিছিল যদিও কৰ্তৃপক্ষই তেওঁলোকৰ দাবী মানি নোলোৱাত উপায়ন্তৰ হৈ তেওঁলোকে ধৰ্মঘট কৰিবলৈ বাধ্য হৈছে। চিডনী বিমান বন্দৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি এই ধৰ্মঘটৰ প্ৰভাৱ কম কৰাৰ বাবে তেওঁলোক বিমান পৰিবহন সংস্থাসমূহক সহায় কৰিবলৈ প্ৰস্তুত আছে। দেশখনৰ বিমানযাত্ৰীসকলক বিমান সংস্থাসমূহৰ পৰা বিমান সেৱা সম্পৰ্কীয় বাৰ্তাৰ বাবে সজাগ হৈ থাকিবলৈ অষ্ট্ৰেলিয়াৰ বিমান বন্দৰ কৰ্তৃপক্ষই আহ্বান জনাইছে।

ooooo

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিহাৰৰ পূৰ্বৰ মুখ্যমন্ত্ৰী তথা ভাৰতৰত্ন সন্মানেৰে সন্মানিত কপুৰী ঠাকুৰৰ জয়ন্তীত শ্ৰদ্ধা নিবেদন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপৰাষ্ট্ৰপতি শ্ৰীধনখড়ে কয়, যে প্ৰয়াত কপুৰী ঠাকুৰ সামাজিক ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এক আদৰ্শ আছিল। সংৰক্ষণ ব্যৱস্থা প্ৰৱৰ্তনৰ জৰিয়তে তেওঁ বহু সংখ্যক লোকৰ সুবিধা আগবঢ়াইছিল। প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰয়াত ঠাকুৰক স্মৰণ কৰি কয়, যে তেওঁ সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে বিশেষ অৱদান আগবঢ়োৱাৰ লগতে এই দিশত যথেষ্ট কাম কৰিছিল। শ্ৰীমোদীয়ে কয়, যে প্ৰয়াত ঠাকুৰৰ জীৱন আৰু আদৰ্শই দেশৰ প্ৰতিটো প্ৰজন্মকে প্ৰেৰণ যোগাই আহিছে।

ooooo

ভাৰতে ইয়াৰ জলসম্পদৰাজিক লক্ষণীয়ভাৱে শক্তিশালী কৰিছে আৰু এই খণ্ডত ভালেমান সংস্কাৰ সাধন কৰিছে। চুইজাৰলেণ্ডৰ ডাভোছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক ফ'ৰামৰ ভাৰত পেভেলিয়নত ভাষণ দি কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে কয়, যে জলসম্পদৰ সংৰক্ষণৰ ক্ষেত্ৰত ভাৰত প্ৰতিশ্ৰুতিবদ্ধ আৰু বহনক্ষম জল ব্যৱস্থাপনাৰ বাবে ভাৰতে অবিৰতভাৱে কাম কৰিছে। শ্ৰীপাটিলে কয়, যে জলবায়ু পৰিৱৰ্তন, জন বিস্ফোৰণ আৰু জলসম্পদৰ অত্যধিক ব্যৱহাৰৰ বাবে বিশ্বত পানীৰ নাটনি ঘটিছে আৰু ই ক্ৰমশঃ বিশ্ববাসীৰ বাবে প্ৰত্যাহ্বানমূলক হৈ পৰিছে। তেওঁ কয়, যে ভাৰত চৰকাৰে দেশৰ গ্ৰামাঞ্চলৰ জনসাধাৰণৰ বাবে বিশুদ্ধ খোৱাপানী যোগানৰ ক্ষেত্ৰত যথেষ্ট সফলকাম হৈছে। উল্লেখযোগ্য যে ডাভোচত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক ফ'ৰামৰ এই বৈঠকত অংশগ্ৰহণ কৰা ভাৰতীয় মন্ত্ৰীসকলৰ অন্যতম জলশক্তি মন্ত্ৰী চি আৰ পাটিলে ভাৰত চৰকাৰে প্ৰৱৰ্তন কৰা ৱাছ শীৰ্ষক আঁচনিৰ জৰিয়তে দেশৰ সকলো শ্ৰেণীৰ লোকে জলসম্পদ, অনাময় আৰু জনস্বাস্থ্যৰ সেৱাসমূহ অবিৰতভাৱে পোৱাৰ ব্যৱস্থা কৰা হৈছে বুলি বৈঠকত প্ৰকাশ কৰে।

ooooo

নতুন দিল্লীৰ কৰ্তব্য পথত হ'বলগীয়া গণৰাজ্য দিৱসৰ কুছকাৱাজত উত্তৰ পূৰ্বাঞ্চলৰ পৰা প্ৰথমবাৰৰ বাবে ৬ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব। অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগে আগবঢ়োৱা আৰ্থিক সাহায্যত কাইলৈ এই ছাত্ৰ-ছাত্ৰীকেইগৰাকী দিল্লীলৈ ৰাওনা হ'ব। বিভাগীয় মন্ত্ৰী সান্তনা চাকমাই এই কথা প্ৰকাশ কৰি কয়, যে এইবাৰ সমগ্ৰ দেশৰ অন্যান্য পিছপৰা শ্ৰেণীৰ সম্প্ৰদায়ৰ মুঠ ৪১৫ গৰাকী ছাত্ৰ-ছাত্ৰী এই কুছকাৱাজত অংশগ্ৰহণ কৰাৰ বাবে বাচনি কৰা হৈছে। তেওঁ লগতে জানিবলৈ দিয়ে যে, এই বাচনি মেধা আৰু সম্ভাৱনাৰ ভিত্তিত কৰা হৈছে। ইয়াৰে

তিনিগৰাকী পশ্চিম ত্ৰিপুৰা জিলাৰ পৰা আৰু ধলাই, খোৱাই আৰু উত্তৰ ত্ৰিপুৰা জিলাৰ পৰা একোজনকৈ প্ৰাৰ্থী বাচনি কৰা হৈছে।

ooooo

সমাপ্ত